**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 16-04-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

সাদিনীয়া ব'হাগ বিহুৰ আজি গোসাঁই বিহু। ৰঙালী বিহুৰ তৃতীয় দিনা অসমবাসীয়ে আজি পৰম্পৰাগতভাৱে গোসাঁই বিহু হিচাপে পালন কৰে। আজি পুৱাৰে পৰা ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ সত্ৰ, নামঘৰ, মন্দিৰ, দেৱালয়কে ধৰি ধৰ্মীয় অনুষ্ঠানসমূহত জনসাধাৰণে  ভিৰ কৰিছে। বিভিন্ন সত্ৰ-নামঘৰত আজি নাম-প্ৰসংগ, মন্দিৰসমূহত পূজা-অৰ্চনাকে ধৰি ভালেমান কাৰ্যসূচী লোৱা হৈছে। বছৰটোৰ বাবে নিজৰ লগতে আপোনজনৰ মংগল কামনাৰে ৰাইজে আজি নেদেখাজনৰ ওচৰত আশীষ ল'ব।

ইফালে, ৰাজ্যজুৰি বহাগ বিহুৰ আনন্দ উছাহ অব্যাহত আছে। উজনিৰ পৰা নামনিলৈ গাঁৱে ভূঞে, চহৰে নগৰে ঢোল, পেপাৰ শব্দ আৰু নাচনীৰ নাচোনৰ চেৰত উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হৈছে। গুৱাহাটী মহানগৰীৰ বিভিন্ন প্ৰান্তত মঞ্চ বিহু কাৰ্যসূচী অনুষ্ঠিত হৈছে। ভৰলুমুখ, চানমাৰি, গণেশগুৰি, নুনমাটি, বেলতলাকে ধৰি বিভিন্ন ঠাইত মঞ্চবিহুৰ আকৰ্ষণীয় অনুষ্ঠান উপভোগ কৰিবলৈ অগণন লোকে ভিৰ কৰিছে। বিহুৰ সৈতে সংগতি ৰাখি ঠায়ে ঠায়ে বিহু নাচ গান, হুঁচৰি, জেং বিহু ঢোল বাদন আৰু অন্যান্য সাংস্কৃতিক প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে।

ধুবুৰী জিলাৰ ৰজা প্ৰভাত চন্দ্ৰ বৰুৱা খেলপথাৰত ধুবুৰী কেন্দ্ৰীয় ৰঙালী বিহু উদযাপন সমিতিয়ে তিনিদিনীয়াকৈ আয়োজন কৰা বিহু অনুষ্ঠানৰ আজি সামৰণি পৰিব। কালি দ্বিতীয় দিনা অনুষ্ঠিত মুকলি বিহুত বিভিন্ন জনগোষ্ঠীয় লোককৃষ্টি দলৰ লগতে কেইবাটাও বিহু দলে নৃত্য পৰিৱেশন কৰে। নগাঁও জিলাৰ কলিয়াবৰতো কালি কলিয়াবৰ কেন্দ্ৰীয় ছাত্ৰ সন্থাৰ উদ্যোগত মুকলি বিহু উদযাপন কৰা হয়। শিৱসাগৰৰ ইতিহাস প্ৰসিদ্ধ ৰংঘৰ আৰু কাৰেংঘৰৰ বাকৰিত কালি উলহ-মালহেৰে বিহু উদযাপন কৰা হয়।

০০০০০০

অসম চৰকাৰে কালি পহিলা ব'হাগৰ পৰাই সমগ্ৰ ৰাজ্যতে অসমীয়া ভাষা ব্যৱহাৰৰ বাবে অধিসূচনা জাৰি কৰে। চৰকাৰী ভাষা আইন-১৯৬০ৰ ৭ আৰু ৩ নম্বৰ ধাৰা অনুসৰি বৰাক উপত্যকা, ষষ্ঠ অনুসূচীৰ অন্তৰ্গত পাৰ্বত্য জিলা আৰু বড়োলেণ্ড আঞ্চলিক পৰিষদৰ অধীনৰ অঞ্চলৰ বাহিৰে কালিৰে পৰা সকলো চৰকাৰী কাম-কাজত অসমীয়া ভাষাৰ ব্যৱহাৰ বাধ্যতামূলক কৰা হৈছে। বৰাক উপত্যকাৰ তিনিখন জিলাত সকলো চৰকাৰী কামৰ বাবে ইংৰাজীৰ উপৰিও বাংলা ভাষা ব্যৱহাৰ কৰা হ'ব। বড়োলেণ্ড পৰিষদীয় এলেকাত যিকোনো চৰকাৰী কামত ইংৰাজীৰ লগতে বড়ো ভাষা ব্যৱহাৰ কৰা হ'ব।

কেন্দ্ৰীয় চৰকাৰে জাৰি কৰা সকলো আদেশ, অধিসূচনা আৰু নিৰ্দেশনা সংশ্লিষ্ট বিভাগৰ দ্বাৰা ৩০ দিনৰ ভিতৰত অসমীয়া, বড়ো বা বাংলা ভাষালৈ অনুবাদ কৰি প্ৰকাশ কৰিব লাগিব। ৰাজ্য চৰকাৰৰ সকলো বিধেয়ক, আইন, নিয়ম, বিধি, আদেশ, অধিসূচনা প্ৰশাসনীয় নিৰ্দেশনা, বদলি আৰু নিযুক্তিৰ আদেশ তথা চৰকাৰী ৰাজপত্ৰ

ইংৰাজী সংস্কৰণৰ লগতে অসমীয়া ভাষাত প্ৰকাশ কৰা হ'ব। পুৰণি সকলো আইন, নীতি, বিধি, অধিসূচনা আদিও দুই বছৰৰ ভিতৰত অসমীয়া ভাষালৈ অথবা প্ৰয়োজন সাপেক্ষে বড়ো আৰু বাংলা ভাষালৈ অনুবাদ কৰিব লাগিব। এই অনুবাদ প্ৰক্ৰিয়া বিশ্ববিদ্যালয়সমূহৰ ভাষা বিভাগৰ সহায়ত সম্পন্ন কৰা হ'ব। অৱশ্যে দুয়োটা সংস্কৰণৰ মাজত কোনো অস্পষ্টতা বা অমিল পৰিলক্ষিত হ'লে অথবা আইনী বাখ্যাৰ প্ৰয়োজন হ'লে ইংৰাজী সংস্কৰণৰ শব্দক প্ৰাধান্য দিয়া হ'ব। আনহাতে, কেন্দ্ৰীয় চৰকাৰৰ কাৰ্যালয়সমূহ আৰু অন্য ৰাজ্যিক প্ৰশাসনৰ সৈতে যোগাযোগৰ বাবে ইংৰাজী ভাষাৰ ব্যৱহাৰ চলি থাকিব। যিকোনো নিয়ম, আইন, নিয়মাৱলী, কাৰ্যালয়ৰ আদেশ, আদালতৰ আদেশ বা ৰায়ত সন্নিবিষ্ট ব্যৱস্থাবোৰৰ ব্যাখ্যাৰ বাবে ইংৰাজী সংস্কৰণক মূল হিচাপে ধৰা হ'ব। ইংৰাজী ভাষাৰ পৰা অসমীয়া, বাংলা আৰু বড়ো ভাষালৈ অনুবাদৰ বাবে **অনুবাদ ভাষিণী এপ** ব্যৱহাৰ কৰিব পাৰিব বুলি চৰকাৰী বিজ্ঞপ্তিত প্ৰকাশ কৰা হৈছে।

০০০০০০

তিৱা জনগোষ্ঠীৰ লোকসকলৰ ছগ্ৰা উৎসৱ হিচাপে পৰিচিত বসন্ত উৎসৱ কাইলৈৰ পৰা তিনিদিনীয়াকৈ পালন কৰা হ'ব। সুদীৰ্ঘ ২৫ বছৰৰ পাছত এইবেলি মেঘালয়ত বসবাস কৰা তিৱা জনগোষ্ঠীৰ লোকসকলে ৰাজ্যখনৰ লুম্ফৈ গাঁৱত এই উৎসৱৰ আয়োজন কৰিছে। এই উৎসৱৰ বাবে গোভা দেওৰজাৰ অনুমতিৰ প্ৰয়োজন হয়। সেই অনুসৰি মেঘালয়ৰ তিৱা জনগোষ্ঠীৰ বিষয়াবৰ্গই পাহাৰীয়া বাটেৰে পদব্ৰজে আহি গোভা দেওৰজা দীপ সিং দেওৰজাৰ অনুমতি লয়। পৰম্পৰা অনুসৰি ছগ্ৰা উৎসৱৰ পাছতেই তিৱা জনগোষ্ঠীয় লোকসকলে ঝুম খেতি আৰম্ভ কৰে। প্ৰায় ২৫ বছৰৰ পাছত এই উৎসৱৰ আয়োজন কৰাক লৈ জনগোষ্ঠীটোৰ লোকসকলৰ মাজত উৎসাহ-উদ্দীপনাই বিৰাজ কৰিছে বুলি আমাৰ সংবাদদাতাই প্ৰকাশ কৰিছে।

০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে বাতৰি আৰু অনুষ্ঠান সম্পৰ্কত শ্ৰোতা ৰাইজৰ মতামত আৰু অভিমত লোৱাৰ বাবে ফোন লাইন পুনৰ মুকলি কৰিছে। আঞ্চলিক বাতৰি, ৰাষ্ট্ৰীয় আৰু আন্তৰ্জাতিক বাতৰি, জিলাৰ ৰেহৰূপ, দৃষ্টিপাত, সংবাদ চলন্তিকা, ক্ৰীড়া বাৰ্তা আৰু প্ৰাসংগিক অনুষ্ঠান সম্পৰ্কীয় অভিমত আৰু পৰামৰ্শ শ্ৰোতাসকলে ৯৮৬৪০ ৫৫৫৬৬ নম্বৰত ৱাটছএপ যোগে পঠিয়াব পাৰিব। এই অনুষ্ঠানৰ নিৰ্বাচিত অংশ অহা ১৯ এপ্ৰিল শনিবাৰে নিশা ৮ বাজি ২ মিনিটত দৃষ্টিপাত অনুষ্ঠানত প্ৰচাৰ কৰা হ'ব।

০০০০০০

সমাপ্ত